কে চি দাস কমার্চ কলেজৰ প্ৰতিষ্ঠা দিৱস পালন

# পৰিস্থিতিৰ লগত খাপ খুৱাই আমি আগুৱাব লাগিব ঃ ড° ননীগোপল মহন্ত



**ষ্টাফ ৰিপৰ্টাৰ, ৭ নৱেম্বৰ ঃ** অসম বাণিজ্য শিক্ষাৰ অগ্ৰণী অনুষ্ঠান কে চি দাস কমাৰ্চ কলেজৰ ৩৯সংখ্যক প্ৰতিষ্ঠা দিৱস ৭ নৱেম্বৰত উদ্‌যাপন হয়। পতাকা উত্তোলনেৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয় অধ্যক্ষ ড° হৃষিকেশ বৰুৱাই। মহাবিদ্যালয় প্ৰাংগণত প্ৰতিষ্ঠা কৰা কে চি দাস কমাৰ্চ কলেজৰ দাতা প্ৰয়াত ৰমেশ চন্দ্ৰ চৌধুৰীৰ এটি আবক্ষ মূৰ্তি উন্মোচন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সভাত অনুষ্ঠান ১০ পৃষ্ঠাত

# পৰিস্থিতিৰ লগত খাপ খুৱাই আমি

উদ্বোধন কৰে শিক্ষা বিভাগৰ উপদেষ্টা ড° ননী গোপাল মহন্তই। ভাষণত মহন্তই কয় যে পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাৰ লগত খাপ খুৱাই ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰা 'নতুন শিক্ষানীতি-২০২০' ইতিমধ্যে অসম চৰকাৰৰ শিক্ষা বিভাগে বিভিন্ন পদক্ষেপ হাতত লৈছে। এইক্ষেত্ৰত কে চি দাস কমাৰ্চ কলেজেও পৰিস্থিতিৰ সৈতে খাপ খুৱাই আগবাঢ়ি যাব লাগিব বুলি ব্যক্ত কৰে মহন্তই। মহন্তই মহাবিদ্যালয়খনৰ 'MOOC' উন্নয়ন কমিটিৰ হৈ ড° ৰণুমনি লহকৰ দাস আৰু ড° সত্যজিত শৰ্মাই প্ৰস্তুত কৰি উলিওৱা 'MOOC' কাৰ্যক্ৰম আৰু ভাৰ্গৱ তালুকদাৰৰ দ্বাৰা প্ৰস্তুত কৰা 'অ'ডিঅ' বুক' উন্মোচন কৰে। এই সমগ্ৰ অনলাইন উপস্থাপন প্ৰক্ৰিয়া মহাবিদালয়ৰ 'আই টি ৰিচাৰ্চ এণ্ড ডেভেলপমেণ্ট ছেল'ৰ দ্বাৰা সম্পন্ন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত সভাত মূল বক্তৃতা আগবঢ়ায় অসম চৰকাৰৰ বিশেষ শাখাৰ প্ৰাক্তন আৰক্ষী সঞ্চালক পল্লৱ ভট্টাচাৰ্যই। বক্ততাৰ বিষয় আছিল 'ভৱিষ্যত নিয়োগৰ সম্ভাৱনা'। এই প্ৰসংগত ভট্টাচাৰ্যই ছাত্ৰ-ছাত্ৰীক আত্মনিয়োগৰ ন ন কৌশলসমূহ সম্পৰ্কে সজাগ হ'বলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়খনৰ পৰা ২০২২ বৰ্ষত উচ্চতৰ মাধ্যমিক বাণিজ্য শাখাত অসমৰ ভিতৰত ষষ্ঠ স্থান লাভ কৰা দীপক লোধ আৰু ২০২২ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক অংকিতা ক'লৈলৈ ক্ৰমে শৰত চন্দ্ৰ দাস আৰু প্ৰফুল্ল চন্দ্ৰ চৌধুৰী বঁটা আগবঢ়োৱা হয়। লগতে মহাবিদ্যালয়ৰ দহগৰাকী কৃতী ছাত্ৰ-ছত্ৰীক বসন্ত কুমাৰ দাস আৰু বাসন্তী দেৱী বঁটাও প্ৰদান কৰা হয়। এই সভাতে মহাবিদ্যালয়খনৰ তিনিগৰাকী প্ৰাক্তন কৃতী ছাত্ৰ আৰু বৰ্তমান ভিন ভিন ক্ষেত্ৰত প্ৰতিষ্ঠিত ব্যক্তি ক্ৰমে মনিষ আগৰৱালা, বিপুল বসুমতাৰী আৰু স্বয়ম জৈনক সম্বৰ্ধনা জনোৱা হয়। শেষত ছাত্ৰ-ছাত্ৰীসকলে অসমৰ লোক-সংস্কৃতিৰ আধাৰত এক বিশেষ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ দাতা-পৰিয়ালৰ সদস্য, প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ভালেসংখ্যক নিমন্ত্ৰিত অতিথি উপস্থিত থাকে।